অসমীয়া প্ৰতিদিন-২,

# লিগেচী ডাটা বিচাৰি গৈ সন্ধানহীন চন্দ্ৰপুৰৰ ছাত্ৰ



প্ৰতিদিন মহানগৰ সেৱা, চন্দ্ৰপুৰ, ১ আগষ্ট ঃ চন্দ্ৰপুৰৰ এজন অষ্টম শ্ৰেণীৰ ছাত্ৰই মাতৃৰ এন আৰ চিৰ লিগেচী ডাটা বিচাৰি নগাঁৱলৈ গৈ ৯ দিনে সন্ধানহীন হৈ আছে। জানিব পৰামতে প্ৰাগজ্যোতিষপুৰ আৰক্ষী চকীৰ অন্তৰ্গত পশ্চিম মায়ং গাঁও পঞ্চায়ত এলেকাধীন ধীপুজী জানপামৰ বাসিন্দা ভানু দাস আৰু সাবিত্ৰী দাসৰ পুত্ৰ মদন দাস যোৱা ২৪ জুলাইৰ পৰা সন্ধানহীন হৈ আছে। ছাত্ৰজন মাতৃ সাবিত্ৰী দাসৰ লগত এন আৰ চি বাবে লিগেচী ডাটা বিচাৰি নগাঁও জিলাৰ ৰহা আৰক্ষী চকীৰ অন্তৰ্গত ডালিমবাৰী গাঁওস্থিত মোমায়েকৰ ঘৰলৈ গৈছিল। কিন্তু যোৱা ২৪ জুলাইত ছাত্ৰজনে নগাঁৱৰ পৰা পশ্চিম মায়ঙৰ নিজ গৃহলৈ আহি থকা সময়তে আদবাটত ছাত্ৰজন সন্ধানহীন হৈ পৰে। পৰিয়ালৰ লোকে বিভিন্ন স্থানত সন্ধান চলায় যদিও ছাত্ৰজনৰ কোনো সন্ধান উলিয়াবলৈ সক্ষম নহ'ল। অৱশেষত ছাত্ৰজনৰ পৰিয়ালে ৩১ জুলাইত প্ৰাগজ্যোতিষপুৰ আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে। ১৩ বছৰীয়া ৪ ফুট ৬ ইঞ্চি উচ্চতাৰ বগা বৰণৰ ছাত্ৰজনৰ কোনো সন্ধান পালে ৮৩৯৯৮-৭২৩৫০ অথবা ৯৮৫৪৩-৬১৭৭৯ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনাইছে।

অসমীয়া খবৰ- ৩/৮/১৫

# মাতৃৰ লিগেচী ডাটা আনিবলৈ গৈ সন্ধানহীন ধিপুজীৰ কিশোৰ

ষ্টাফ ৰিপৰ্টাৰ, ২ আগষ্ট ঃ মাতৃৰ লিগেচী ডাটা আনিবলৈ গৈ যোৱা ৮ দিনে চন্দ্ৰপুৰৰ কিশোৰ এজন সন্ধানহীন হৈ আছে। প্ৰাপ্ত তথ্য অনুসৰি প্ৰাগজ্যোতিষপুৰ থানাৰ অন্তৰ্গত পশ্চিম মায়ঙৰ ধিপুজীৰ বাসিন্দা কানু দাস আৰু সবিত্ৰী দাসৰ পুত্ৰ মদন দাসে যোৱা ২৪ জুলাইত মাতৃৰ লিগেচী ডাটা আনিবলৈ গৈছিল মোমায়েকৰ ঘৰলৈ। ৰহা থানাৰ অন্তৰ্গত ডালিমবাৰী গাঁৱৰ মোমায়েকৰ ঘৰৰ পৰা লিগেচী ডাটা লৈ সেইদিনাই উভতি আহে যদিও এই পৰ্যন্ত ঘৰত উপস্থিত হোৱা নাই কিশোৰজন। ইফালে পৰিয়ালৰ লোকে বিভিন্ন স্থানত বিচাৰ-খোচাৰ কৰিও কিশোৰজনৰ কোনো শুংসূত্ৰ নাপাই কালি স্থানীয় থানাত এখন এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে সন্ধানহীন কিশোৰজন অষ্টম শ্ৰেণীৰ এজন ছাত্ৰ।